CIVIL SERVICES (MAIN) EXAM- 2023

**SKYC-C-ASSM**

# অসমীয়া / ASSAMESE

## ( বাধ্যতামূলক ) / ( Compulsory )

| | |
|---|---|
| সময় : 3 ঘন্টা | মুঠ নম্বৰ : 300 |
| *Time Allowed : **Three Hours*** | *Maximum Marks : 300* |

## প্ৰশ্নোত্তৰ বহী সম্পৰ্কীয় বিশেষ নিৰ্দেশনা

***প্ৰশ্নোত্তৰ লিখাৰ আগতে তলৰ পৰামৰ্শাৱলী। নিৰ্দেশনা যত্ন সহকাৰে পঢ়ি লোৱা :***

*সকলোবোৰ প্ৰশ্নৰ উত্তৰ লিখিব লাগিব।*

*প্ৰশ্নটোৰ কাষত প্ৰশ্নটোৰ মূল্যাংক। প্ৰশ্নোত্তৰৰ মূল্যাংক দিয়া আছে।*

*বিশেষ নিৰ্দেশনা নথকা প্ৰশ্নৰ উত্তৰ **অসমীয়া ভাষাত (অসমীয়া লিপিৰে)** লিখিব লাগিব।*

*প্ৰশ্নোত্তৰৰ বাবে শব্দৰ নিৰ্ধাৰিত সংখ্যা দিয়া থাকিলে তাক মানিব লাগিব আৰু নিৰ্ধাৰিত সংখ্যাতকৈ বেছি বা কম নম্বৰ কটা যাব পাৰে।*

*প্ৰশ্নোত্তৰ বহীৰ কোনোবা পৃষ্ঠা বা পৃষ্ঠাংশ খালি হৈ থাকিলে স্পষ্টকৈ কাটি দিব লাগিব।*

## Question Paper Specific Instructions

***Please read each of the following instructions carefully before attempting questions :***

*All questions are to be attempted.*

*The number of marks carried by a question / part is indicated against it.*

*Answers must be written in **ASSAMESE (Assamese script)** unless otherwise directed in the question.*

*Word limit in questions, wherever specified, should be adhered to and if answered in much longer or shorter than the prescribed length, marks may be deducted.*

*Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.*

**Q1. তলত দিয়া যিকোনো *এটা* বিষয়ত 600 শব্দৰ ভিতৰত এখন ৰচনা লিখাঁ :** *100*

(a) উপভোক্তাবাদী জীৱনশৈলী আৰু পৰিৱেশ

(b) মোবাইল ফোনৰ আসক্তি

(c) অনলাইন শিক্ষাৰ সীমাবদ্ধতা

(d) সন্ত্ৰাসবাদ : এক প্ৰত্যাহ্বান

**Q2. তলত দিয়া কথাখিনি ভালদৰে পঢ়াঁ আৰু তাৰ তলত দিয়া প্ৰশ্নবোৰৰ স্পষ্ট, শুদ্ধ আৰু সংক্ষিপ্ত উত্তৰ দিয়াঁ :** *12×5=60*

যেতিয়া এগৰাকী কৃষকে খেতিপথাৰত কাম কৰে তেতিয়া তেওঁ খাদ্যশস্য আৰু উদ্যোগৰ বাবেও কেঁচামাল উৎপাদন কৰে । কপাহে কাপোৰৰ কাৰখানা, যন্ত্ৰচলিত শালত কাপোৰৰ ৰূপ ধাৰণ কৰে । এখন ঠাইৰ পৰা আন ঠাইলৈ গাড়ীৰে সামগ্ৰীবোৰ কঢ়িয়াই নিয়া হয় । আমি জানো যে কোনো এখন দেশত এটা বছৰত উৎপাদিত সকলো বস্তু আৰু সেৱাসমূহৰ সৰ্বমুঠ মূল্যক ইয়াৰ মুঠ ঘৰুৱা উৎপাদন বুলি কোৱা হয় । আমি ৰপ্তানিৰ কাৰণে মূল্য লাভ কৰোঁ আৰু আমদানিৰ কাৰণে মূল্য দিবলগীয়া হয় । এইক্ষেত্ৰত আমি দেখিবলৈ পাওঁ যে প্ৰকৃত আয় ধনাত্মক হ'ব পাৰে বা ঋণাত্মক হ'ব পাৰে বা শূন্যও হ'ব পাৰে । প্ৰাপ্ত আয়সমূহ যোগ কৰিলে আমি সেই বছৰৰ বাবে দেশৰ সৰ্বমুঠ ঘৰুৱা উৎপাদনৰ পৰিমাণ পাম ।

মুঠ ৰাষ্ট্ৰীয় উৎপাদনত অৱদান যোগোৱা সকলো কাৰ্যকলাপক আমি অৰ্থনৈতিক কাৰ্যকলাপ বুলি কওঁ । অৰ্থনৈতিক কাৰ্যকলাপৰ লগত জড়িত প্ৰতিগৰাকী ব্যক্তিকে শ্ৰমিক বুলি কোৱা হয়, তেওঁলোক উচ্চ বা নিম্ন যিস্তৰৰে কামৰ লগতে জড়িত নহওক কিয় । এওঁলোকৰ মাজৰ কিছুসংখ্যক লোক যদি ৰোগ, আঘাত আদিৰ দৰে শাৰীৰিক কষ্ট, বেয়া বতৰ, উৎসৱ বা সামাজিক-ধৰ্মীয় পৰ্বৰ কাৰণে অস্থায়ীভাৱে কামলৈ আহিব নোৱাৰে তথাপি তেওঁলোকক শ্ৰমিক বুলি গণ্য কৰা হয় । এই কামসমূহত লাগি থকা মুখ্য শ্ৰমিকসকলৰ সহায়ক হিচাপে কাম কৰি থকা সকলোকো আমি শ্ৰমিক ৰূপে মান্যতা দিওঁ । সাধাৰণতে আমি এইদৰে ভাবি লওঁ যে কামৰ বিনিময়ত নিয়োগকৰ্তাই কাৰোবাক ধন আদায় দিলে তেওঁকেই শ্ৰমিক বুলি কোৱা হয় । আচলতে সেইটো নহয় । যি ব্যক্তি স্ব-নিয়োজিত হৈ থাকে তেৰোঁ শ্ৰমিকেই ।

ভাৰতবৰ্ষত জীৱিকাৰ প্ৰকৃতি বহুমুখী । কিছুসংখ্যক মানুহে গোটেই বছৰটোৰ বাবে জীৱিকা লাভ কৰে আনহাতে কিছুসংখ্যকে বছৰটোৰ কেইটামান মাহহে জীৱিকাৰ

সন্ধান পায় । অধিকাংশ শ্রমিকে নিজৰ কাম অনুযায়ী উপযুক্ত বেতন নাপায় । সাধাৰণতে শ্রমিকৰ সংখ্যা হিচাপ কৰাৰ সময়ত যিমান সংখ্যক ব্যক্তি অৰ্থনৈতিক কাৰ্য্যকলাপৰ লগত জড়িত হৈ থাকে সেই সকলোকে জীৱিকাৰ লগত জড়িত ব্যক্তিৰ শ্রেণীত অন্তর্ভুক্ত কৰা হয় । 2011 – 12 বৰ্ষত ভাৰতবৰ্ষত সৰ্বমুঠ শ্রমশক্তি প্রায় 473 মিলিয়ন বুলি অনুমান কৰা হৈছিল । কাৰণ দেশৰ অধিকাংশ মানুহ গ্ৰাম্যাঞ্চলত বসবাস কৰে, সেইবাবে গ্ৰাম্যাঞ্চলৰ শ্রম বলৰ অনুপাতো চহৰৰ শ্রমবলতকৈ অধিক । এই 473 মিলিয়ন শ্রমিকৰ ভিতৰত চাৰিভাগৰ তিনিভাগ গ্ৰাম্যাঞ্চলৰ শ্রমিক ।

শ্রমশক্তিৰ ক্ষেত্ৰত ভাৰত পুৰুষ প্রধান । গ্ৰাম্যাঞ্চলত মহিলা শ্রমিক সৰ্বমুঠ শ্রমবলৰ এক তৃতীয়াংশ, আনহাতে চহৰত মাত্র 20 শতাংশ মহিলাহে শ্রমবলৰ অংশীদাৰ । মহিলাসকলে ৰন্ধা বঢ়া, পানী অনা, ইন্ধন সংগ্ৰহ কৰাৰ লগতে খেতি পথাৰতো কাম কৰে । তেওঁলোকে নগদ ধন বা খাদ্যশস্যৰ ৰূপত বেতন আদায় নাপায় । বহুক্ষেত্ৰত তেওঁলোকক একোৱে প্রদান কৰা নহয় । এই কাৰণতেই এই মহিলাসকলক শ্রমিক শ্রেণীত অন্তর্ভুক্ত কৰা হোৱা নাই । অথনীতিবিদসকলে বিচাৰে যে এই মহিলাসকলো শ্রমিক শ্রেণীত অন্তর্ভুক্ত হোৱা উচিত ।

(a) শ্রমিক বুলি কাক কোৱা হয় ? *12*

(b) মুঠ ঘৰুৱা উৎপাদন বুলিলে কি বুজা ? *12*

(c) ভাৰতবৰ্ষত জীৱিকাৰ প্ৰকৃতি কেনেধৰণৰ ? *12*

(d) কোনসকল মহিলাক শ্রমিক বুলি গণ্য কৰা নহয় ? *12*

(e) ভাৰতত শ্রমিক জনসংখ্যাৰ অনুপাত কেনেধৰণৰ ? *12*

**Q3. তলত দিয়া কথাখিনিৰ সাৰাংশ এক-তৃতীয়াংশ শব্দৰ ভিতৰত লিখাঁ । শিৰোনাম দিয়াৰ আৱশ্যকতা নাই । সাৰাংশ তোমাৰ নিজৰ ভাষাত লিখিব লাগিব ।** *60*

‘সভ্যতা’ আৰু ‘সংস্কৃতি’ এনে দুটা শব্দ যি দুটা শব্দৰ অৰ্থ আটাইতকৈ কমকৈ বুজা যায় কিন্তু ব্যৱহাৰ আটাইতকৈ বেছিকৈ হয় । সেই সময়ৰ কথা কল্পনা কৰকচোন যি সময়ৰ জুইৰ আবিষ্কাৰেই হোৱা নাছিল । এতিয়া ৰন্ধনৰ বাবে ঘৰে ঘৰে চৌকা জ্বলে । যিগৰাকী ব্যক্তিয়ে সৰ্বপ্ৰথমে জুইৰ আৱিষ্কাৰ কৰিছিল তেওঁ কিমান ডাঙৰ আৱিষ্কাৰক আছিল । অথবা সেইসময়ৰ কথা কল্পনা কৰকচোন যেতিয়া মানৱ জাতিৰ বেজী-সূতাৰ লগত পৰিচয় নাছিল । যিগৰাকী ব্যক্তিয়ে লোহাৰ এটা সৰু টুকুৰাক বেজীৰ ৰূপ দিছিল তেৰোঁ কিমান মহান আৱিষ্কাৰক আছিল ।

উক্ত উদাহৰণ দুটালৈ মন কৰক, প্ৰথম উদাহৰণটো দুটা দিশ আছে : প্ৰথম, এগৰাকী ব্যক্তি বিশেষৰ জুইৰ আৱিষ্কাৰ কৰাৰ ক্ষমতা আছে আৰু দ্বিতীয়, জুইৰ আৱিষ্কাৰ । একেদৰে দ্বিতীয় বেজী-সূতাৰ উদাহৰণটোত প্ৰথম দিশটো হ'ল বেজী-সূতাৰ আৱিষ্কাৰ কৰিব পৰাৰ সামৰ্থ্য আৰু দ্বিতীয়টো হ'ল বেজী-সূতাৰ আৱিষ্কাৰ । যি সামৰ্থ্য, প্ৰৱণতা বা অনুপ্ৰেৰণাৰ আধাৰত এগৰাকী ব্যক্তি বিশেষে জুই আৰু বেজী-সূতা আৱিষ্কাৰ কৰিলে সেইটোৱে হৈছে সংস্কৃতি আৰু সেই সংস্কৃতিৰ দ্বাৰা যি আৱিষ্কাৰ হ'ল, যি বস্তু তেওঁ নিজৰ আৰু আনৰ বাবে আৱিষ্কাৰ কৰিলে তাৰেই নাম হ'ল সভ্যতা ।

এগৰাকী সংস্কৃত ব্যক্তিয়ে কোনো নতুন বস্তুৰ সন্ধান কৰে তেনে কোনো সন্ধান নকৰাকৈয়ে পূৰ্বপুৰুষৰ পৰা অনায়াসে লাভ কৰে । কোনো ব্যক্তিয়ে নিজৰ বুদ্ধি অথবা বিবেকৰ প্ৰয়োগেৰে কোনো নতুন তথ্যৰ সন্ধান পালে সেই ব্যক্তিগৰাকীকে প্ৰকৃততে সংস্কৃত ব্যক্তি বুলি ক'ব পাৰি আৰু তেওঁৰ সন্তান যিসকলে নিজৰ পূৰ্বপুৰুষৰপৰা সেই তথ্য অনায়াসে লাভ কৰে, তেওঁলোকে নিজৰ পূৰ্বপুৰুষসকলৰ দৰে সভ্য হ'লেও তেওঁলোকক সংস্কৃত ব্যক্তি বুলি ক'ব পৰা নাযায় । এটা আধুনিক উদাহৰণ লোৱা যাওক । নিউটনে মধ্যাকৰ্ষণ শক্তিৰ আৱিষ্কাৰ কৰিছিল । তেওঁ সংস্কৃত ব্যক্তি আছিল । আজিৰ যুগৰ পদাৰ্থ বিজ্ঞানৰ বিদ্যাৰ্থীসকল নিউটনৰ মধ্যাকৰ্ষণ শক্তিৰ সৈতে পৰিচিত, কিন্তু তাৰ লগে লগে তেওঁলোকে আৰু অনেক তথ্য আহৰণ কৰে যাৰ ফলত সম্ভৱতঃ নিউটন অপৰিচিত হৈ পৰিছে । তথাপি আজিৰ পদাৰ্থ বিজ্ঞানৰ বিদ্যাৰ্থীসকলক নিউটনতকৈ অধিক সভ্য বুলি ক'ব পাৰোঁ যদিও তেওঁলোকৰ নিউটনৰ দৰে সংস্কৃত বুলি ক'ব পৰা নাযায় ।

জুইৰ আৱিষ্কাৰৰ অন্তৰালত সম্ভৱতঃ ভোকেও প্ৰেৰণা যোগাইছে । বেজী আৰু সূতাৰ আৱিষ্কাৰত সম্ভৱতঃ শীত আৰু তাপৰপৰা নিজকে ৰক্ষা কৰা আৰু শৰীৰৰ সাজোন-কাচোন কৰা — এই দুটা কথাৰ বিশেষ ভূমিকা আছিল । এতিয়া এনে এগৰাকী ব্যক্তিৰ কল্পনা কৰকচোন যাৰ খোৱা-পিন্ধাৰ সমস্যা নাই কিন্তু যেতিয়া তেওঁ মুকলি অকাশৰ তলত শুই তিৰবিৰাই থকা তৰাবোৰ দেখিবলৈ পায়, মুকুতাৰে ভৰা এই থালখননো প্ৰকৃততে কি সেই কৌতুহলতে তেওঁৰ টোপনি নাহে । পেট ভৰাই খোৱা

আৰু শৰীৰ ঢকাৰ প্ৰকৃতিয়ে মানুহৰ সংস্কৃতিৰ জননী নহয় । খোৱা-পিন্ধাৰ সমস্যা নাথকিলেও প্ৰকৃত সংস্কৃত ব্যক্তিয়ে অবাবত বহি থাকিব নোৱাৰে । আমাৰ সভ্যতাৰ এটা বৃহৎ অংশ আমি এনে সংস্কৃত ব্যক্তিৰ পৰাই পাইছোঁ, যাৰ চেতনাত পাৰ্থিৱ প্ৰভাৱ প্ৰধানকৈ দেখা যায় কিন্তু তাৰ কিছু অংশ আমি মনিষীসকলৰ পৰাও পাইছোঁ যিসকলে তথ্য বিশেষক কোনো পাৰ্থিৱ প্ৰেৰণাৰ দ্বাৰা বশীভূত হৈ নহয় বৰং তেওঁলোকৰ আভ্যন্তৰীণ সহজাত সংস্কৃতিৰ দ্বাৰাহে লাভ কেৰ । ৰাতিৰ আকাশৰ তৰা দেখি শুব নোৱাৰা সেইসকল মনিষীয়ে আমাৰ আজিৰ জ্ঞানৰ বাটকটীয়া আছিল ।

(436 শব্দ)

**Q4. নিম্নলিখিত গদ্যাংশ ইংৰাজী ভাষালৈ অনুবাদ কৰাঁ :** **20**

সময় অমূল্য । প্ৰকৃততে এই পৃথিৱীত সময়ে একমাত্ৰ এনেকুৱা বস্তু, যি সীমিত । যদিহে আপুনি সম্পদ হেৰুৱাই তেন্তে তাক পুনৰ অৰ্জন কৰিব পাৰিব । ঘৰ হেৰুৱালে তাকো ওভটাই পাব পাৰি । যদি আপুনি সময় হেৰুৱায় তাক পুনৰাই ঘুৰাই পোৱা নাযায় ।

যদি জীৱনত আমি কিবা কৰিবলৈ, হ'বলৈ, পাবলৈ বিচাৰোঁ তেন্তে সময়ৰ সদ্-ব্যৱহাৰ কৰাটো অপৰিহাৰ্য্য । সময়ৰ সদ্-ব্যৱহাৰেৰে আমি যি পাবলৈ বিচাৰোঁ তাকেই পাব পাৰোঁ ।

কোৱা হয় যে, "সময়েই সম্পদ" । কিন্তু এই কথাষাৰ সম্পূৰ্ণৰূপে সত্য নহয় । প্ৰকৃত সত্যটো হ'ল সময় মাথোঁ সম্ভাব্য সম্পদহে । যদিহে আপুনি আপোনাৰ সময়ৰ সদ্-ব্যৱহাৰ কৰে তেতিয়াহে আপুনি সম্পদ উপাৰ্জন কৰিব পাৰিব । আনহাতে, যদি আপুনি সময়ৰ অপব্যৱহাৰ কৰে তেতিয়া আপুনি সম্পদ উপাৰ্জনৰ সম্ভাৱনা হেৰুৱাই পেলাব । যদি আপুনি সময়ৰ ব্যৱহাৰৰ প্ৰতি সজাগ হয় তেতিয়া সময় অপব্যয় কৰিবলৈ এৰি পেলাব । আপুনি আপোনাৰ সময়ৰ সঠিক ব্যৱহাৰৰ উপায় বিচাৰি উলিয়াব । কম সময়তে বেছি কাম কৰাৰ উপায় অৱলম্বন কৰিব । যদি আপুনি সময়ক পৰিচালনা কৰিবলৈ বিচাৰে তেন্তে কেৱল চেতন মনৰে নহয় অবচেতন মনৰো প্ৰয়োগ কৰিব লাগিব । ইয়ে আপোনাক নতুন নতুন উপায় দিব যাৰ বাবে আপুনি কম সময়ত অধিক কাম কৰাৰ উপায় বিচাৰি উলিওৱাত সফল হ'ব ।

**Q5.** **তলত দিয়া গদ্যাংশ অসমীয়া ভাষালৈ অনুবাদ কৰাঁ :** *20*

We cannot deny the importance of games in life as games make a person sound in body and mind. Society expects of a person to fulfil all his duties, for which it is important for him to keep healthy. He may be very intelligent, but his intelligence is of no use if he is not healthy. In some ways, the human body is like a machine. If it is not made use of, it starts to work badly. People who are not fit grow weak; they become more prone to disease. Any form of game is useful, if it gives the body an opportunity to take regular physical exercise. Playing encourages the spirit of sportsmanship. It enables one to deal with life's problems in a wise and natural manner. The important thing in playing is not the winning or the losing, but the participation. We have to remember some other things about playing games. First, it is the physical exercise that is important for health, not the games themselves, and there are other ways of getting this. Is not India the home of yoga ? When we think of the phrase — a healthy mind in a healthy body — we should not forget that it is the mind which is mentioned first. And if we let games become the most important thing in our lives, then we undermine the importance of the mind.

**Q6.** (a) **তলত দিয়া জতুৱা খণ্ডবাক্যকেইটা ব্যৱহাৰ কৰি একোটাকৈ বাক্য ৰচনা কৰাঁ :** *2×5=10*

(i) কথা চহকী *2*

(ii) কপালৰ ঘাম মাটিত পেলোৱা *2*

(iii) হাত দীঘল *2*

(iv) পেটে ভাতে খোৱা *2*

(v) খোদৰ পচলা *2*

(b) **তলত দিয়া ফকৰা-যোজনা দুটাৰ ভাব-সম্প্ৰসাৰণ কৰাঁ :** *5×2=10*

(i) হাতত নাই কণটো
বৰ সবাইলৈ মনটো *5*

(ii) অতি ভক্তি চোৰৰ লক্ষণ । *5*

(c) **তলত দিয়া শব্দবোৰৰ প্ৰত্যেকৰে একোটাকৈ বিপৰীত অৰ্থবাচক শব্দ লিখাঁ** : *1×10=10*

(i) হ্ৰাস *1*

(ii) সন্মান *1*

(iii) যোগ *1*

(iv) প্ৰশ্ন *1*

(v) ভক্তি *1*

(vi) ডেকা *1*

(vii) বনৰীয়া *1*

(viii) দোষ *1*

(ix) ওখ *1*

(x) উপকাৰ *1*

(d) **তলত দিয়া শব্দবোৰৰ প্ৰত্যেকৰে একোটাকৈ সমাৰ্থক শব্দ লিখাঁ** : *1×10=10*

(i) পৃথিৱী *1*

(ii) ভাস্কৰ *1*

(iii) আলয় *1*

(iv) নৃপতি *1*

(v) ঐৰাবত *1*

(vi) ডাৱৰ *1*

(vii) সমীৰ *1*

(viii) অনল *1*

(ix) শতদল *1*

(x) নেত্ৰ *1*